# জন্মৰ আগৰ পৰা মৃত্যুৰ পিছলৈ

Before birth to after death

brightislam.in

মৌলানা ইঞ্জামুল হক মিছবাহী,দৰং অসম।
ফোন: +918638731917

- আমাৰ সৰ্বপ্ৰথম সৃষ্টি ক'ৰ পৰা হৈছিল ?
- ৰূহ বা আত্মাৰ পৰা আল্লাহে তেওঁ ৰ'ব(মালিক)হোৱাৰ সাক্ষী কিয় লৈছিল ?
- আলমে আৰৱাহ,আলমে দুনীয়া,আলমে বৰযাখ আৰু হাচৰ মানে কি ?
- বিচাৰৰ পিছত আমি ক'ত থাকিম ?
- আলমে বাৰযাখ মানে কি,মৃত্যুৰ সময়ত কি দেখা যায় ?
- মৃত্যুৰ পিছতো ৰুহ বা আত্মা আৰু মানৱ শৰীৰৰ মাজত সম্পৰ্ক থাকেনে ?
- মৃত্যুৰ পিছত মুছলমানৰ ৰূহ বা আত্মা ক'ত থাকে ?
- কবৰত কি কি প্ৰশ্ন কৰা হয় আৰু তাৰ উত্তৰ কি ?
- কবৰৰ প্ৰশ্নোত্তৰৰ পিছত কি হয় ?
- কবৰৰ উত্তৰ কোনে দিব নোৱাৰিব
- উত্তৰ দিব নোৱাৰিলে কি হ'ব ?
- কবৰৰ আজাব সত্যনে ?
- মুছলমানৰ ৰূহ মৃত্যুৰ পিছত ক'ত থাকে ?
- কাফিৰৰ ৰূহ ক'ত থাকে ?
- মৃত্যুৰ পিছত ৰূহ আনৰ শৰীৰত প্ৰৱেশ কৰে নেকি ?
- ৰূহৰ মৃত্যু হয় নেকি ?
- মৃতকৰ কথোপকথন কোনে শুনা পায় ?
- কবৰত ফিৰিস্তা কিদৰে আৰু কেনেকুৱা ৰূপত উপস্থিত হ'ব ?
- টোপনি আৰু মৃত্যুৰ মাজত পাৰ্থক্য আছে নেকি ?
- কেনেদৰে টোপনি মাৰিব লাগে ?
- নবীয়ে ﷺ কেনেকৈ শুৱা কৰিছিল ?
- শোৱাৰ আগতে কি কৰিব দিছে নবী ছাল্লাল্লাহু আলাইহি ওৱাছাল্লামে ?
- টোপনিৰ পৰা উঠি কি দোৱা পঢ়িব লাগে ?
- মাটিয়ে কাৰ শৰীৰ নাখায় ?

brightislam.in

## প্ৰশ্নঃ-আমাৰ সৰ্বপ্ৰথম সৃষ্টি ক'ৰ পৰা হৈছিল ?

**উত্তৰঃ**- আমাৰ সৰ্বপ্ৰথম সৃষ্টি হজৰত আদম আলাইহিচ্ছালামৰ পিঠিৰ পৰা হৈছিল।

আল্লাহ পাকে কোৰআন কৈছে:

وَإِذْ أَخَذَ رَبُّكَ مِنْ بَنِي آدَمَ مِنْ ظُهُورِهِمْ ذُرِّيَّتَهُمْ وَأَشْهَدَهُمْ عَلَىٰ أَنْفُسِهِمْ أَلَسْتُ بِرَبِّكُمْ ۖ قَالُوا بَلَىٰ ۛ شَهِدْنَا ۛ أَنْ تَقُولُوا يَوْمَ الْقِيَامَةِ إِنَّا كُنَّا عَنْ هَٰذَا غَافِلِينَ

আৰু স্মৰণ কৰা,যেতিয়া তোমাৰ প্ৰতিপালকে আদম সন্তানৰ পিঠিৰ পৰা তাৰ বংশধৰক উলিয়াইছিল আৰু সিহঁতৰ নিজৰ বিষয়ে স্বীকাৰোক্তি গ্ৰহণ কৰিছিল(আৰু কৈছিল)মই তোমালোকৰ ৰব নহয়নে ? সিহঁতে কৈছিল: "হয় নিশ্চয় আমি সাক্ষী থাকিলো"। এইটো এইবাবে যে,তোমালোকে যাতে কিয়ামতৰ দিনা ক'ব নোৱাৰা যে,আমি এই বিষয়ত জ্ঞাত নাছিলো। (ছুৰা আল আৰাফ:১৭২)

আনহাতে হাদিছ শ্বৰীফত নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামেও এই বিষয়ে খবৰ দিয়ে যে: আল্লাহ পাকে আদম আলাইহিচ্ছালামৰ পিঠিৰ পৰা তেওঁৰ বংশধৰক উলিয়াইছিল।(তিৰমিজি-কিতাবুত তফছিৰ-আৰাফ:৩০৮৬)

এই আয়াত ও হাদিছৰ বাখ্যা কৰি তফছিৰে খাজিনত লিখা আছে: বংশধৰক উলিয়াওৱা সেই নিয়মতেই যিদৰে দুনীয়াত এজনৰ পৰা আনজনৰ জন্ম । অৰ্থাৎ হজৰত আদম আলাইহিচ্ছালামৰ পিঠিৰ পৰা তেওঁৰ সন্তানসকলক আৰু সন্তানসকলৰ পিঠিৰ পৰা তেওঁলোকৰ সন্তান সকলক। এনেদৰেই কিয়ামত পৰ্যন্ত জন্ম হ'ব লগা লোক। আল্লাহ পাকে ৰুহ বোৰক মস্তিষ্ক(বিবেক)দি সিহঁতৰ সন্মূখত আল্লাহ যে "এক-অদ্বিতীয়,তেওঁ কাৰো মুখাপেক্ষী নহয় সকলো তেওঁৰেই মুখাপেক্ষী,তেওঁৰ সমতুল্য কোনো নাই" ইয়াৰ ওপৰত প্ৰমাণ ও দলিল দি আল্লাহে তেওঁ মা'বুদ ও মালিক তথা উপাস্য হোৱাৰ সাক্ষ্য বিচাৰিছে। তেতিয়া সকলোবোৰ ৰূহে(আত্মাই)কৈছে: 'হয় নিশ্চয়,আমি নিজৰ প্ৰতি স্বীকাৰোক্তি গ্ৰহণ কৰিছো আৰু তোমাৰ ৰব তথা উপাস্যতাৰ সাক্ষী দিছো(যে তুমিয়েই আমাৰ স্ৰষ্টা,স্ৰষ্টাহে সৃষ্টিৰ ভাগ্য নিয়ন্তা)।(তফছিৰে খাজিন-আৰাফ:১৭২)

## প্ৰশ্নঃ-ৰূহ(আত্মা)ৰ পৰা আল্লাহে তেওঁ ৰ'ব(মালিক)হোৱাৰ সাক্ষী কিয় লৈছিল ?

**উত্তৰঃ**-যিবোৰে এক আল্লাহৰ অমান্য কৰি কুফুৰ ও শ্বীৰ্কত(আল্লাহৰ লগত আন কাৰোবাক অংশীদাৰীত) লিপ্ত থাকিব,সেইবোৰে বিচাৰৰ দিৱসৰ দিনা ক'ব: ইয়া আল্লাহ! আমাৰ কোনো দোষ নাই। কাৰণ আমিটো এইবিষয়ে নাজানিছিলোৱেই যে তুমি আমাৰ ৰ'ব ও স্ৰষ্টা। তোমাৰ বাহিৰে অইন উপাস্য নাই। এ দয়ালু খোদা! তুমিটো অজ্ঞাত লোকৰ হিচাপ নোলোৱা,গতিকে আমাক এৰি দিয়া আৰু শাস্তিমুক্ত কৰা। সেয়েহে আল্লাহ পাকে আগতেই সমস্ত ৰূহৰ পৰা সাক্ষী লৈছিল যাতে কিয়ামতৰ দিনা সিহঁতে কোনো আৰোপ লগাব নোৱাৰে। এই বিষয়ে আল্লাহে কোৰআনত কৈছে:

أَنْ تَقُولُوا يَوْمَ الْقِيَامَةِ إِنَّا كُنَّا عَنْ هَٰذَا غَافِلِينَ

(সাক্ষী এইবাবে লোৱা হৈছে)যে,তোমালোকে যাতে কিয়ামতৰ দিনা ক'ব নোৱাৰা যে,আমি এই বিষয়ত জ্ঞাত নাছিলো। তাৰোপৰি এই সাক্ষীক পুনৰ মনত পেলাই দিয়াৰ বাবে আল্লাহে নবী,ৰছুল সকলক পৃথিৱীত পঠায়।কিতাপ নাজিল কৰি সিহঁতৰ সন্মূখত সত্য উদঙাই দিয়ে। গতিকে এয়া আৰোপ লগোৱা যে "আমি এই বিষয়ে জ্ঞাত নাছিলো" গ্ৰহনযোগ্য

brightislam.in

নহ'ব।(তফছিৰে বাগৱী-আৰাফ:১৭২)

**ইয়াৰ পৰা বুজা মাছাঈল ও কথা**

১) চৰিয়তৰ আদেশৰ প্ৰতি অজ্ঞাত থকা কোনো ওজৰ(অক্ষমতা)তথা গ্ৰহণযোগ্য কথা নহয়। "মই অজ্ঞাত আছিলোঁ বা মই নাজানিছিলোঁ" এইবোৰ কথাই আল্লাহৰ আজাবৰ পৰা বচাব নোৱাৰিব।

২) আকিদাহত পূৰ্বপুৰুষৰ অনুসৰণ ঠিক নহয়। আল্লাহে সুস্থ মস্তিষ্ক দান কৰিছে গতিকে নিজে বিবেচনা তথা গৱেষণা কৰি সঠিক আকিদাহ আকোঁৱালি লোৱা উচিত।

৩) গুণাহৰ কাম উদ্ভাৱন কৰাটো যদিও অতি নিকৃষ্ট কাম কিন্তু পিছত উক্ত গুণাহ কৰাজনো গুণাহগাৰ ও অপৰাধী বুলি বিবেচিত হ'ব। সিহঁতে এয়া আৰোপ লগাব নোৱাৰিব যে এই গুণাহ আমিটো উদ্ভাৱন কৰা নাই!( তফছিৰে ছিৰাতুল জিনান:আৰাফ -১৭২)

## প্ৰশ্নঃ-আলমে আৰৱাহ,আলমে দুনীয়া,আলমে বৰযাখ আৰু হাচৰ মানে কি,বিচাৰৰ পিছত আমি ক'ত থাকিম ?

**উত্তৰঃ-** কোৰআন ও হাদিছৰ আলোকত;

জীৱনক পাঁচটা স্তৰত বিভাজন কৰিব পাৰি।

১) আলমে আৰৱাহ(The World of Spirits)য'ত আমাৰ সৃষ্টিকৰ্তা,মালিক ও উপাস্য আল্লাহে আমাৰ পৰা তেওঁ ৰ'ব তথা স্ৰষ্টা হোৱাৰ প্ৰতি সাক্ষী তথা স্বীকাৰুক্তি(Confession)লৈছিল। এইখিনিতে লক্ষ্য ৰখা উচিত যে "আলম(কাল বা যুগ)সাধাৰণতে তিনি প্ৰকাৰৰ ১)আলমে আৰৱাহ।২)আলমে দুনীয়া।৩)আলমে বৰযাখ। আনহাতে জন্মলাভৰ পূৰ্বৰ কালক 'আলমে আৰৱাহ',জন্ম-মৃত্যুৰ মাজৰ কালক 'আলমে দুনীয়া', আৰু মৃত্যুৰ পিছৰ কালক 'আলমে বৰযাখ' বোলা হয়।

২) আলমে দুনীয়া(World)য'ত আমি জন্ম হৈছোঁ। য'ৰ পৰা সিমিত দিনকেইটা অতিবাহিত কৰি গুছি যাম।

৩) আলমে বৰযাখ(Duration between Death and Resurrection)। মৃত্যুৰ পিছৰ পৰা কিয়ামতৰ আৰম্ভনিৰ মাজৰ সময়খিনিক আলমে বৰযাখ বোলা হয়।

৪) হাচৰ বা বিচাৰৰ দিৱস(Judgment day)।যেতিয়া আমি কবৰৰ পৰা উঠিম আৰু হাচৰৰ ময়দানত গৈ সু-কু কৰ্মৰ হিচাপ দিম।

৫) বিচাৰৰ পিছত আমাক আমাৰ কৰ্মৰ প্ৰতিফলৰূপত জান্নাত বা জাহান্নামত প্ৰস্থান কৰোৱা হ'ব। সেয়েহে নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: দুনীয়া আখিৰতৰ বাবে খেতি।(যেনে কৰ্ম তেনে ফল)(ফইজুল কাদীৰ-২/৪৪০:২২৪৫)

## প্ৰশ্নঃ- আলমে বাৰযাখ মানে কি, মৃত্যুৰ সময়ত কি দেখা যায় ?

**উত্তৰঃ**- মৃত্যুৰ পিছৰে পৰা বিচাৰৰ দিৱসৰ আগৰ সময়খিনিক বাৰযাখ বোলে। আলমে বাৰযাখ দুনীয়া আৰু আখিৰাতৰ মাজত এটা আলম তথা কাল আছে যাক বৰযাখ বোলা হয় যথা কোৰআনত আহিছে: وَمِنْ وَرَائِهِمْ بَرْزَخٌ إِلَىٰ يَوْمِ يُبْعَثُونَ পুনৰুত্থানৰ দিৱসলৈকে সিহঁতৰ সন্মুখত থাকিব বাৰযাখ।(ছুৰা আল মোমিনূন:১০০)। মৃত্যুৰ পিছৰ পৰা বিচাৰৰ দিৱসৰ আগলৈ সমস্ত জিন ও মানৱ এই আলম তথা কাল বৰযাখত থাকিব লাগিব।(ফুতূহাতুল মাক্কিয়্যাহ:১/৬৮৬) এই সময়খিনি কাৰোবাৰ

brightislam.in

বাবে খুব ধুনীয়া ও ৰঙীন হৈ পৰিব অথচ কিছুমানৰ বাবে অতি যন্ত্ৰনাদায়ক। যথা হাদিছত আহিছে

القبر روضة من رياض الجنة أو حفرة من حفر النار

নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে কবৰ কাৰোবাৰ বাবে জান্নাতৰ বাগিচা হৈ পৰিব আৰু কাৰোবাৰ বাবে জাহান্নামৰ অগ্নিপূৰ্ণ পুখুৰী।(তিৰমিজি,কিতাবু চিফাতিল কিয়ামাহ-৪/২০৮:২৪৬৮)

**আকিদাহ বা বিশ্বাস ৰখাৰ কথা**

প্ৰত্যেক ব্যক্তিৰ যি নিৰ্দিষ্ট সময় আছে তাত কোনেও বৃদ্ধি তথা হ্ৰাস কৰিব নোৱাৰিব। যথা আল্লাহে কৈছে:

وَلَنْ يُؤَخِّرَ اللَّهُ نَفْسًا إِذَا جَاءَ أَجَلُهَا ۚ وَاللَّهُ خَبِيرٌ بِمَا تَعْمَلُونَ

আৰু যেতিয়া কাৰোবাৰ নিৰ্দিষ্ট সময় উপস্থিত হ'ব,তেতিয়া আল্লাহে তাক কেতিয়াও ৰেহাই নিদিব। তোমালোকে যি আমল কৰা সেই সম্পৰ্কে আল্লাহ সবিশেষ অৱগত।(ছুৰা আল মোনাফিকূন:১১) আন এঠাইত আহিছে:

فَإِذَا جَاءَ أَجَلُهُمْ لَا يَسْتَأْخِرُونَ سَاعَةً ۖ وَلَا يَسْتَقْدِمُونَ

এতেকে যেতিয়া সিহঁতৰ সময় আহি পৰে তেতিয়া সিহঁতে এটা মুহূৰ্ত্তও আগ-পিছ কৰিব নোৱাৰে।(ছুৰা আল নাহল:৬১) আনহাতে নিৰ্দিষ্ট সময় হ'লে হজৰত ইজৰাইল আলাইহিচ্ছালামে প্ৰাণ লৈ যাব। যথা কোৰআনত আহিছে:

قُلْ يَتَوَفَّاكُمْ مَلَكُ الْمَوْتِ الَّذِي وُكِّلَ بِكُمْ ثُمَّ إِلَىٰ رَبِّكُمْ تُرْجَعُونَ

(হে নবী তুমি)কোৱা: তোমালোকৰ বাবেই নিয়োগ কৰা হৈছে মৃত্যুৰ ফিৰিস্তা তেৱেঁই তোমালোকৰ প্ৰাণ হৰণ কৰিব। তাৰ পিছত তোমালোকৰ প্ৰতিপালকৰ ওচৰতেই তোমালোকক ওভোতাই নিয়া হ'ব।(ছুৰা আল ছিজদাহ:১১)
(হাদিছৰ আধাৰত)সময় উকলি যোৱা ব্যক্তিজনৰ আশে-পাশে তথা চকুৰে ঢুকি পোৱা দূৰত্বলৈকে মাথোঁ ফিৰিস্তায়ে দেখা পাব। কিন্তু মুছলমানৰ আশে-পাশে ৰহমতৰ আৰু কাফিৰৰ চৌপাশে আজাবৰ ফিৰিস্তা থাকিব।(মুছনদে আহমদ:৪/৪১৪-৪১৩:১৮৫৫৯) সেইসময়ত সকলোৰে সন্মূখত ইছলামৰ সত্যতা তথা আল্লাহৰ একত্বতা সূৰ্যৰ দৰে পৰিস্কাৰ হৈ পৰিব। কিন্তু তেতিয়া ঈমান আনিলে গ্ৰহনযোগ্য নহ'ব। কাৰণ ঈমান অদৃশ্য ৰূপে অনাৰহে আদেশ আছিল কিন্তু এতিয়া অদৃশ্য থকা নাই বৰঞ্চ প্ৰকাশ্য হৈ পৰিল। যথা কোৰআনত আহিছে আল্লাহ পাকে কৈছে: তাৰ পিছত সিহঁতে যেতিয়া আমাৰ শাস্তি দেখা পালে তেতিয়া ক'লে,আমি একমাত্ৰ আল্লাহৰ ওপৰত ঈমান আনিলো আৰু আমি তেওঁৰ লগত যিবোৰক অংশী কৰিছিলো সেইবোৰক প্ৰত্যাখ্যান কৰিলো। কিন্তু আমাৰ শাস্তি দেখা পোৱাৰ পিছত সিহঁতে লৈ অহা ঈমান সিহঁতৰ প্ৰতি উপকৃত নহ'ল। আল্লাহৰ এই বিধান পূৰ্বৰে পৰা তেওঁৰ বান্দাসকলৰ মাজত চলি আহিছে আৰু তেতিয়াই কাফিৰসকল ক্ষতিগ্ৰস্ত হৈছে।(ছুৰা আল গ্বাফীৰ:৮৪)

## প্ৰশ্নঃ- মৃত্যুৰ পিছতো ৰুহ বা আত্মা আৰু মানৱ শৰীৰৰ মাজত সম্পৰ্ক থাকেনে ? মৃত্যুৰ পিছত মুছলমানৰ ৰূহ বা আত্মা ক'ত থাকে ?

**উত্তৰঃ-** মৃত্যুৰ পিছতো ৰুহ(আত্মা)আৰু মানৱ শৰীৰৰ মাজত সম্পৰ্ক থাকে। মৃত্যুৰ পিছত যদিও ৰুহ শৰীৰৰ পৰা এলাগী হয় কিন্তু শৰীৰৰ লগত যি ঘটে ৰূহে নিশ্চিত ভাৱে অনুভৱ কৰে আৰু অৱগত হয় যেনেদৰে জীৱিত অৱস্থাত অৱগত হয় বা অনুভৱ কৰে অৱশ্যে মৃত্যুৰ পাছত ইয়াৰ পৰিমাণ বেছি বাঢ়ি যায়। আনহাতে আল্লাহৰ নবী ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছেঃ- মৃত ব্যক্তিয়ে জীৱিত ব্যক্তিৰ খোজৰ শব্দও শুনে।(মিচকাত:১/২৪/মানহুৰ ৰাউজুল

brightislam.in

আজহাৰ:১০০-১০১)

মৃত্যুৰ পিছত মুছলমানৰ ৰূহ তেওঁৰ কৃতকাৰ্য অনুসৰি ভিন্ন ঠাইত ৰখা হয়। কিছুমানৰ ৰূহ কবৰতেই থাকে। যেনেদৰে হাদিছত আহিছে: নবী কৰীম স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: কবৰস্থ ব্যক্তিক তাৰ কবৰত পুৱা গধূলি তাৰ ঠিকনা জান্নাত অথবা জাহান্নাম দেখুওৱা হ'ব।(বোখাৰী-১৩৭৯০) আকৌ কিছুমানৰ ৰূহ জমজম কুঁৱাত থাকে। এনেদৰেই হাদিছত আহিছে: عن علي قال: أرواح المؤمنين في بئر زمزم

হজৰত আলী ৰাদ্বীয়াল্লাহু আনহুৰ পৰা বৰ্ণিত তেওঁ কৈছে:কিছু মুমিনৰ ৰূহ জমজম কুঁৱাত অৱস্থান কৰে। আনহাতে কিছুমানৰ ৰূহ আচমান আৰু জমিনৰ মাজত থাকে। হাদিছত আহিছে: عن المغيرة بن عبد الرحمن قال:إنّ الروح إذا خرج من الجسد كان بين السماء والأرض حتى يرجع إلى جسد

ৰূহ পুৰণ শৰীৰৰলৈ ঘূৰাই নিদিয়ালৈকে আচমান আৰু জমিনৰ মাজত অৱস্থাত কৰে। কিছুলোকৰ ৰূহ প্ৰথম,দ্বিতীয় আৰু সপ্তম আচমান পৰ্যন্তত থাকে। এনেকুৱাকৈয়ে হাদিছত আহিছে:

عن ابن عمر رضي اللّٰہ عنهما أنّه عزى أسماء بابنها عبد اللّٰہ بن الزبير وجثته مصلوبة،فقال:(لا تحزني فإنّ الأرواح عند اللّٰہ في السماء، وإنّما بذه جثة). وفي رواية؛ عن أبي بريرة رضي اللّٰہ تعالى عنه قال: قال رسول اللّٰہ صلى اللّٰہ عليه وسلم:(إنّ أرواح المؤمنين في السماء السابعة ينظرون إلى منازلهم في الجنة)

এক বৰ্ণনা অনুসৰি আচমানত কিছু ৰূহ অৱস্থান কৰে। তাৰোপৰি আন কিছু মোমিনৰ ৰূহ আকৌ সপ্তম আচমানত অৱস্থান কৰি জান্নাতৰ থকা নিজৰ বাসস্থানলৈ চকু দি থাকে।(শ্বাৰহুচ ছুদূৰ: পৃষ্ঠা -২৪২,২৪৩,২৩৮,২৩৪,২৩৫)
অইন কিছুসংখ্যকৰ ৰূহ আচমানতকৈও ওপৰত থাকিব আৰু  কিছুমানৰ ৰূহ আৰচৰ ছাঁত প্ৰজ্বলিত আকাশবাতী(এক প্ৰকাৰৰ Lantern,বন্তি)ত থাকিব। যিদৰে নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: কিছু মোমিনৰ ৰূহ আল্লাহে সেউজীয়া পখীৰ ভিতৰত ৰাখে যিটো জান্নাতৰ নদীৰ আশে-পাশে উঠা-বহা কৰে। জান্নাতৰ ফল খায় আৰু আৰচৰ ছাঁত প্ৰজ্বলিত চাকিত থাকে।(আবুদাউদ,কিতাবুল জিহাদ,ফজলুচ শ্বাহাদাহ:৩/২২:২৫২০)

## প্ৰশ্নঃ- মুছলমানৰ ৰূহ মৃত্যুৰ পিছত ক'ত থাকে, মৃত্যুৰ পিছতো ৰূহ(আত্মা)আৰু মানৱ শৰীৰৰ মাজত সম্পৰ্ক থাকেনে ?

**উত্তৰঃ-** আগতে উল্লেখ কৰা বহুতো ঠাইৰ উপৰিও অইন কিছুলোকৰ ৰূহ আলা ইল্লিইয়্যীন(জান্নাতৰ অত্যন্ত উচ্চ স্থানসমূহ)ত থাকে। এনেদৰেই হাদিছত উল্লেখিত: الصحيح الذي عليه الجمهور أنّ المراد بالرفيق الأعلى الأنبياء الساكنون أعلى عليين(الرفيق الأعلى)
অৰ্থাৎ আম্বিয়া সকলৰ ৰূহ আলা ইল্লিইয়্যীনত থাকে।(শ্বাৰহু মুছলিম,নবৱী:২/২৮৬)
কিন্তু ৰূহ য'তেই নাথাকক কিয় তাৰ সম্পৰ্ক নিজ শৰীৰৰ লগত দস্তুৰমত জড়িত থাকে। কোনোবা যদি কবৰত আহে সি আহোতেই তাক চিনি পায়। তেওঁৰ কথা শুনা পায়,দেখে। এতেকে নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:

ما من أحد يمر بقبر أخيه المؤمن كان يعرفه في الدنيا فيسلم عليه إلاّ عرفه وردّ عليه السلام

অৰ্থাৎ মোমিনৰ কবৰৰ ওচৰেদি যি যায় তেওঁক চিনি পায়,যেনেদৰে জীৱিত অৱস্থাত চিনি পাইছিল। ছালাম দিলে ছালাম ফিৰাই।(ফাতাৱা আল হাদিছিয়াহ,মতলব:আৰৱাহুল আম্বিয়া ৱা আৰৱাহুচ শুহাদা-১৫-১৬) অথচ ৰূহে দেখা,শুনা পোৱাটো একমাত্ৰ কবৰৰ লগতে সীমিত নহয়। ইয়াৰ উদাহৰণ হাদিছত আহিছে যে ৰূহে পিঞ্জৰাৱদ্ধ পখীক মুক্ত কৰি দিয়াৰ দৰে মানুহৰ মৃত্যুৰ পিছত মুক্তিলাভ কৰে।(শ্বাৰহুচ ছুদূৰ:ফজলুল মৌত:পৃষ্ঠা-১৩) হাদিছত আহিছে: যেতিয়া মোমিনৰ মৃত্যু হয়

brightislam.in

তেতিয়া তাৰ ৰূহ এৰি দিয়া হয় যে য'ত ইচ্ছা যাব পাৰে।(মুছান্নাফ লিইবনি আবি শ্বায়বাহ-কিতাবুয্ জুহ্দ-কালামু আব্দুল্লাহ বিন আম্ৰ:৮/১৮৯:১০)

**প্ৰশ্নঃ- কাফিৰৰ ৰূহ ক'ত থাকে ?**

উত্তৰঃ- কাফিৰৰ মাজৰ কিছুমানৰ ৰূহ শ্মশান(হিন্দুৰ মৰা মানুহ জ্বলোৱা ঠাই)তে থাকে। আকৌ কিছুমানৰ নাপাক ৰূহ চাহে বৰহুত(য়ামান দেশৰ এটা নলা)ত থাকে। এনেদৰেই হাদিছত আহিছে:

عبد اللّٰه ابن عمر رضي اللّٰه عنهما قال:إنّ أرواح الكفار تجمع ببرهوت سبخة بحضرموت

অৰ্থাৎ(কিছু)কাফিৰৰ ৰূহ বৰহুত নামি নলাত থাকে।(শ্বাৰহুচ ছুদূৰ:২৩৬-২৩৭) আৰু কিছুৰ ৰূহ সপ্তম জমিনত থাকে। হাদিছতো এনেদৰেই আছে: عن ابن عمرو قال:أرواح الكافرين في الأرض السابعة (কিছু)কাফিৰৰ ৰূহ সপ্তম জমিন থাকে।

কিছুসংখ্যকৰ ৰূহ তাতকৈয়ো তল ছিজ্জিন(জাহান্নামৰ এখন ভৈয়াম)ত থাকে। এই বিষয়ে নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামক সোধাত তেওঁ কৈছে:- কাফিৰৰ ৰূহ ছিজ্জিনত আবদ্ধ হৈ থাকে।(শ্বাৰহুচ ছুদূৰ:পৃষ্ঠা-২৩৬-২৩৭,২৩৪,২৩২) কিন্তু য'তেই নাথাকক শ্মশানত অহা সকলোকে চিনি পায়,দেখা পায়,শুনে। কিন্তু আবদ্ধ তথা কাৰাবন্ধ ৰূপত ৰখাৰ বাবে ক'তো যোৱাৰ অনুমতি নহ'ব।

**প্ৰশ্নঃ- মৃত্যুৰ পিছত ৰূহ আনৰ শৰীৰত প্ৰৱেশ কৰে নেকি ? ৰূহৰ মৃত্যু হয় নেকি ? মৃতকৰ কথোপকথন কোনে শুনা পায় ? কবৰত ফিৰিস্তা কেনেদৰে আৰু কেনেকুৱা ৰূপত উপস্থিত হ'ব ?**

**উত্তৰঃ- আকিদাহ**- এই বিশ্বাস ৰখা যে মৃত্যুৰ পিছত ৰূহ অন্যৰ শৰীৰত প্ৰৱেশ কৰে যথা জীৱ-জন্তু হওঁক অথবা মানৱ। যাক তানাছুখ কোৱা হয় চূড়ান্ত ভাৱে অসত্য আৰু এনেকুৱা বিশ্বাস ৰখা কুফুৰ।(নিবৰাছ,বাবুল বা'ছি হাক্কুন:২১৩/হাদিকতুন নাদিয়্যাহ:১/৩০৪-৩০৫)

**আকিদাহ-** মৃত্যু মানে ৰূহ শৰীৰৰ পৰা পৃথক হৈ যোৱা। কিন্তু ৰূহৰ মৃত্যু নঘটে। যিয়ে ৰূহৰ মৃত্যু হৈ যোৱাৰ বিশ্বাস ৰাখে তেওঁ বদ মজহব। (শ্বাৰহুচ ছুদূৰ: ফজলুল মৌত,পৃষ্ঠা:১২)

**আকিদাহ-** মৃত ব্যক্তিয়ে কথা কয় কিন্তু সিহঁতৰ কথোপকথন সাধাৰণ মানৱ,জিন আৰু মানুহৰ বাহিৰে বাকী সকলো জীৱ-জন্তুৱে শুনা পায়।(বোখাৰী:কিতাবুল জানাইজ:বাবু কালামুল মায়্যিতি আলাল জানাজাহ-১/৪৬৫:১৩৮,শ্বাৰহুচ ছুদূৰ:মাৰিফাতুল মায়্যিতি মায়্যাগছিলুহ:৯৬)

**আকিদাহ-** যেতিয়া কোনো মৃতকক কবৰস্থ কৰা হয় তেতিয়া তাক কবৰে চেপি ধৰে। যদি মুমিন,মুছলমান হয় তেন্তে মাতৃয়ে সন্তানক মৰমত জোৰকৈ আকোঁৱালি লোৱাৰ দৰে ধৰে।(শ্বাৰহুচ ছুদূৰ,পৃষ্ঠা:৩৪৫)

আৰু কাফিৰৰ হ'লে এনেকুৱা ভাৱে চেপি তথা হেঁচি দিয়ে যে এফালৰ কামিহাড় আনফালে ওলাই যায়।(মুছনাদ আহমদ বিন হাম্বল:৪/২৫৩:১২২৭৩,তিৰমিজি:চিফাতুল কিয়ামাহ:২/২০৮:২৪৬৮)

**আকিদাহ-** যেতিয়া দফন কৰা লোকসকল উভতি আহে তেতিয়া মৃত ব্যক্তিয়ে সিহঁতৰ খোজৰ শব্দ শুনে। যথা নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে: إنّ العبد إذا وضع في قبره وتولّى عنه أصحابه، وإنّه ليسمع قرع نعالهم

যেতিয়া বান্দাক কবৰস্থ কৰি লোকসকল উভতে তেতিয়া তেওঁ সিহঁতৰ ভৰিৰ খোজৰ শব্দ শুনে।(বোখাৰী:কিতাবুল জানাইজ,আজাবুল কবৰ,১/৪৬৩:১৩৭৪)

brightislam.in

সেই সময়ত তাৰ ওপৰত দুটা ফিৰিস্তাই নিজৰ দাঁতেৰে মাটি ফালি উপস্থিত হয়।(বাইহাকী:ইছবাতু আজাবিল কবৰ:১/৯৯:৮৬)
দুয়োজন ফিৰিস্তা অতি ভয়াবহ আৰু ভয়ানক ৰূপত আহে।(ইহয়াউল উলূম:১/১২৭) তেওঁলোকৰ শৰীৰ ক'লা ধৰণৰ আৰু চকু নিলা ও ক'লা বৰণীয়া। (তিৰমিজি:আজাবুল কবৰ:২/৩৩৭:১০৭৩,শ্বাৰহুচ ছুদূৰ:১২২)
তেওঁলোক দেগ(Pot)ৰ সমতুল্য ও অগ্নিপূৰ্ণ। আৰু দাঁত কেইবাহাতৰ সমতুল্য। (মুজামুল আওছাত:৩/২৯২:৪৬২৯)
সেই দাঁতৰে জমিন ফালি আহিব। তেওঁবোৰৰ আতংকীত চুলি মুৰৰ পৰা ভৰি পৰ্যন্ত। (শ্বাৰহুচ ছুদূৰ:পৃষ্ঠা-১২৭) তাৰ মাজৰ পৰা এজনক মুনকিৰ আনজনক নাকিৰ কোৱা হয়।(তিৰমিজি:আজাবুল কবৰ:২/৩৩৭:১০৭৩)
মৃত ব্যক্তিক অতি কঠিন ও আতংকীত মাতেৰে ধমক দি উঠাই প্ৰশ্ন কৰিব।(শ্বাৰহুচ ছুদূৰ:পৃষ্ঠা-১২২)
(আকিদাহ মানে দৃঢ় সংকল্প বা বিশ্বাস কৰা)

## প্ৰশ্নঃ- কবৰত কি কি প্ৰশ্ন কৰা হয় আৰু তাৰ উত্তৰ কি ?

**উত্তৰঃ-** কবৰৰ প্ৰশ্নোত্তৰ সম্পৰ্কে বোখাৰী শ্বৰীফত আহিছে: প্ৰথম প্ৰশ্ন তোমাৰ প্ৰতিপালক তথা স্ৰষ্টা কোন ? দ্বিতীয় প্ৰশ্ন তোমাৰ ধৰ্ম কি? তৃতীয় প্ৰশ্ন এইগৰাকী ব্যক্তিৰ বিষয়ে কি কৈছিলা ?
যদি মৃত ব্যক্তি মুছলমান হয় তেন্তে প্ৰথম প্ৰশ্নৰ উত্তৰত ক'ব "মোৰ প্ৰতি পালক আল্লাহ"। • দ্বিতীয় প্ৰশ্নৰ উত্তৰত ক'ব "মোৰ ধৰ্ম ইছলাম"। তৃতীয় প্ৰশ্নৰ উত্তৰত ক'ব "এওঁ ৰছুলুল্লাহ ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম"।
ফিৰিস্তা সকলে সুধিব তোমাক এইবোৰ কোনে কৈছে ? সি ক'ব মই আল্লাহৰ কিতাপ পঢ়িছো,তাৰ প্ৰতি ঈমান আনিছো আৰু স্বীকৃতি দিছোঁ।(বোখাৰী,কিতাবুল জানাইজ,আজাবুল কবৰ:১/৪৬৩:১৩৭৪)
অইন কিছু হাদিছত আহিছে:যে ফিৰিস্তাই এনে উত্তৰ পাই ক'ব: আমিতো জানিছিলোঁৰেই তুমি এনেকুৱা উত্তৰ দিব পাৰিবা।(তিৰমিজি,কিতাবুল জানাইজ,আজাবুল কবৰ:২/৩৩৭:১০৭৩)
সেই সময়ত আল্লাহৰ পক্ষৰ পৰা অদৃশ্য ৰূপত এটি শব্দ আহিব। য'ত কোৱা হ'ব যে মোৰ বান্দাই সঠিক উত্তৰ দিছে। তাৰ বাবে জান্নাতি বিছনা পাৰি দিয়া। জান্নাতি পোছাক পৰিধান কৰোৱা। আৰু তাৰ প্ৰতি জান্নাতৰ এখন দৰ্জা খুলি দিয়া। জান্নাতৰ মনোমোহা বতাহ আৰু সুগন্ধ আহি থাকিব। আৰু চকুৰে ঢুকি পোৱা দূৰত্বলৈকে তেওঁৰ কবৰ বহলাই দিয়া হ'ব। (মুছনদে আহমদ বিন হাম্বল:৬/৪১৩,৪১৪,৩৩৮:১৮৫৫৯) আৰু তেওঁক কোৱা হ'ব শুই যোৱা যেনেদৰে ন-কন্যা শোৱে। এনেদৰেই হাদিছত আহিছে।(তিৰমিজি,কিতাবুল জানাইজ,আজাবুল কবৰ:২/৩৩৮:১০৭৩) আনহাতে গুণাহগাৰ হ'লে কবৰত তাৰ গুণাহৰ সমতুল্য শাস্তি দিয়া হ'ব। (শ্বাৰহুল আকাইদ:৯৯)

## প্ৰশ্নঃ- কবৰৰ প্ৰশ্নোত্তৰৰ পিছত কি হয়,কবৰৰ উত্তৰ কোনে দিব নোৱাৰিব, উত্তৰ দিব নোৱাৰিলে কি হ'ব ?

**উত্তৰঃ-** তাৰ পিছত তাৰ পীৰ সকলৰ বা মজহবৰ ঈমামৰ অথবা আউলিয়া সকলৰ চাফাআত (চুপাৰিছ)ৰ বাবে বা মাত্ৰ আল্লাহৰ ৰহমতত যেতিয়া স্বয়ং তেওঁ ইচ্ছা কৰিব,ৰেহাই পাব।(মিজানুল কুব্ৰা:১/৯) (শ্বাফাআত সম্পৰ্কে অসংখ্য হাদিছ বৰ্ণিত, ইনশ্বা আল্লাহ আগলৈ প্ৰকাশ কৰা হ'ব) আনহাতে কিছুমানে কৈছে: শুক্ৰবাৰৰ নিশা ও দিনত গুণাহগাৰ মুমিনৰ কবৰৰ পৰা আজাব উঠাই লোৱা হয়।(আল্লাহ উত্তম জ্ঞানী)(মানহুৰ ৰাউজুল আজহাৰ শ্বাৰহু ফিকহিল আকবাৰ-১০২)

brightislam.in

হয়! এই কথা হাদিছৰ দ্বাৰা প্ৰমাণিত যে যি ব্যক্তি শুক্ৰবাৰৰ দিনত বা ৰাতি (বৃহস্পতিবাৰে দিনগৈ ৰাতি)অথবা ৰমজান মাহত মৃত্যু হ'ব তেওঁ প্ৰশ্ন তথা কবৰৰ আজাবৰ পৰা বাচি থাকিব। এনেদৰেই হাদিছত আহিছে:

ما من مسلم يموت يوم الجمعة أو ليلة الجمعة إلاّ وقاه اللّٰه فتنة القبر

অৰ্থাৎ জুমআৰ ৰাতি আৰু দিনত মৃত্যু হোৱাজনৰ প্ৰতি কবৰৰ আজাব দিয়া নহয়। (তিৰমিজি,কিতাবুল জানাইজ,মাম্মাতা য়াউমুল জুমআ:২/৩৩৮০৯:১০৭৬)

আৰু যদি মৃত ব্যক্তিয়ে নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামৰ বিন্দু পৰিমাণো বে আদবি,অপমান তথা অসন্মান কৰিছিল বা গোস্তাখী কৰিছিল,তেন্তে তেনেধৰণৰ মুনাফিকে প্ৰশ্নৰ উত্তৰত ক'ব; আফচোছ মইতো একোৱেই নাজানো! মানুহৰ মুখত শুনিছিলো,নিজেও কৈছিলোঁ। সেই সময়ত আল্লাহৰ পক্ষৰ পৰা অদৃশ্য ৰূপত এটি শব্দ আহিব,য'ত কোৱা হ'ব ই মিছলীয়া তাৰ বাবে অগ্নিপূৰ্ণ বিছনা পাৰি দিয়া। জুইৰ পোছাক পৰিধান কৰোৱা। আৰু তাৰ বাবে জাহান্নামৰ এখন দৰ্জা খুলি দিয়া,তাৰ পৰা জাহান্নামৰ ভয়ানক গৰম বতাহ আহিব। আৰু তাক শাস্তি দিবলৈ দুটা ফিৰিস্তা নিয়োগ কৰা হ'ব। যিকেইজন অন্ধ,কলা তথা কানেৰে নুশুনা হ'ব। তেওঁলোকৰ হাতত লোহাৰ মজবুত হাতুৰী থাকিব। যদি সেয়াৰে পাহাৰত মৰা হয় তেন্তে পাহাৰ চূৰ্ন-বিচূৰ্ন হৈ পৰিব,সেই হাতুৰীৰে তাক মাৰি থাকিব। (আবু দাউদ-কিতাবুছ ছুন্নাহ-আজাবুল কবৰ-৪/৩১৬:৪৭৫৩) আনহাতে সাপ-বিচ্ছুৱে কষ্ট দি থাকিব।(ছহীহ ইবনে হিব্বান,জানাইজ,আহৱালুল মায়্যিতি ফিল কবৰ:4/৫০:৩১১২)

## প্ৰশ্নঃ- কবৰৰ আজাব সত্যনে ? শৰীৰ গলি,পচি বা জ্বলি-পুৰি যোৱাৰ পিছত পুনৰুত্থান কেনেকৈ হ'ব ? কবৰ নিদিয়া বা জন্তুৱে খোৱা লোকক প্ৰশ্ন ক'ত কৰা হ'ব ?

**উত্তৰঃ- আকিদাহ-** কবৰৰ আজাব সত্য। যথা কোৰআনত আহিছে: النَّارُ يُعْرَضُونَ عَلَيْهَا غُدُوًّا وَعَشِيًّا ۖ وَيَوْمَ تَقُومُ السَّاعَةُ أَدْخِلُوا آلَ فِرْعَوْنَ أَشَدَّ الْعَذَابِ অগ্নি,পুৱা-গধূলি সিহঁতক তাত উপস্থিত কৰা হয় আৰু যিদিনা কিয়ামত সংঘটিত হ'ব সেইদিনা কোৱা হ'ব: ফিৰআউন গোষ্ঠীক কঠোৰ শাস্তিত নিক্ষেপ কৰা।(ছুৰা আল গ্বাফীৰ:৪৬) তদ্ৰূপ কবৰত আল্লাহৰ ৰহমতৰ উপহাৰো সত্য।(শ্বাৰহুল আকাইদ:কবৰ:৯৯) শৰীৰ যদিও গলি,পচি বা জ্বলি-পুৰি যায় কিন্তু তাৰ আচল অংগ আল্লাহে কিয়ামত পৰ্যন্ত বাকী ৰাখে। আৰু তাৰ প্ৰতি আজাব ও শাস্তি নিক্ষেপ কৰা হয়। সেই আচল অংগৰ পৰাই কিয়ামতৰ দিনা আল্লাহে পুনৰ্জীৱিত কৰিব। আৰু সেয়া কামিহাড়ৰ কিছু অতি ক্ষুদ্ৰ ও সৰু অংগ যাক "আজবুয্যাম্- "عَجبُ الذَّنب" (Tail bone)কোৱা হয়। এয়া কোনো অনুবীক্ষণ বা ultra microscope ৰ দ্বাৰাও দেখা সম্ভৱ নহয়। জুইয়েও তাক জ্বলাব নোৱাৰে তদ্ৰূপ মাটিয়েও তাক খাব নোৱাৰে,তাৰ পৰাই পুনৰ শৰীৰৰ সৃষ্টি কৰা হ'ব। এতেকে কিয়ামতৰ দিনা উক্ত শৰীৰতেই ৰূহ উভতাই দিয়া হ'ব। যদিও শৰীৰৰ অংগ মাটিয়ে খাই, জ্বলি-পুৰি ছাই হৈ যায় কিন্তু আল্লাহে সেয়া উভতাই আনি আচল অংগৰ লগত সংযোগ কৰি পূৰ্বৰ ৰূহ পুনৰাই দিব আৰু ইয়াৰ নামেই হাচৰ অৰ্থাৎ সঞ্চয়। (বোখাৰী:৪৮১৪) কবৰত শাস্তি ও আনন্দৰ অমান্য যিজনে কৰিব সি পথভ্ৰষ্ট বুলি বিবেচিত হ'ব।(হাদিকাতুন নাদিয়্যাহ-১/৩০৩)

**আকিদাহ-** মৃত ব্যক্তি যদি কবৰস্থ নহয় বা দফন কৰা নহয় তেন্তে য'ত পৰি থাকিব বা য'ত পেলাই দিয়া হ'ব অৰ্থাৎ য'তেই নাথাকক কিয় তাতেই প্ৰশ্ন কৰা হ'ব। আৰু তাতেই আজাব ও আনন্দ ভোগ কৰিব। এতেকে যদি কাৰোবাক বাঘে খালে তেন্তে তেওঁক প্ৰশ্ন বাঘৰ পেটতেই কৰা হ'ব। আজাব ও আনন্দ তাতেই ভোগ কৰিব। (হাদিকাতুন নাদিয়্যাহ:১/২৬৬-২৬৭,শ্বাৰহুল আকাইদ:কবৰ:১০১)

brightislam.in

## প্ৰশ্নঃ- টোপনি আৰু মৃত্যুৰ মাজত পাৰ্থক্য আছে নেকি, কেনেদৰে টোপনি মাৰিব লাগে,নবী ছাল্লাল্লাহু আলাইহি ওৱাছাল্লামে কেনেকৈ শুৱা কৰিছিল ?

**উত্তৰঃ-** আল্লাহ পাকে ৰাতিটো বিশ্ৰামৰ বাবে সৃষ্টি কৰিছে,যাৰ বিষয়ে কেইবাটাও আয়াতত উল্লেখ আছে। ইছলামে নিদ্ৰাক মৃত্যুৰ এক প্ৰকাৰ বুলি পৰিচয় কৰাইছে। নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে : টোপনি মৃত্যুৰ সহোদৰ বা ভাই। ইয়াৰোপৰি আল্লাহ পাকে পবিত্ৰ কোৰআনত কৈছে: وَهُوَ الَّذِي يَتَوَفَّاكُمْ بِاللَّيْلِ وَيَعْلَمُ مَا جَرَحْتُمْ بِالنَّهَارِ ثُمَّ يَبْعَثُكُمْ فِيهِ لِيُقْضَىٰ أَجَلٌ مُسَمًّى তেৱেঁই ৰাতিত তোমালোকৰ মৃত্যু ঘটায়। আৰু দিনত তোমালোকে যি উপাৰ্জন কৰা সেয়া তেওঁ জানে। তাৰ পিছত নিৰ্ধাৰিত সময় পূৰ্ণ কৰাৰ কাৰণে দিনত তেওঁ তোমালোকক আকৌ জীৱিত কৰে।(আল আনআম:৬০) আন এক আয়াতত আল্লাহে কৈছে: اللَّهُ يَتَوَفَّى الْأَنْفُسَ حِينَ مَوْتِهَا وَالَّتِي لَمْ تَمُتْ فِي مَنَامِهَا ۖ فَيُمْسِكُ الَّتِي قَضَىٰ عَلَيْهَا الْمَوْتَ وَيُرْسِلُ الْأُخْرَىٰ إِلَىٰ أَجَلٍ مُسَمًّى ۚ إِنَّ فِي ذَٰلِكَ لَآيَاتٍ لِقَوْمٍ يَتَفَكَّرُون

আল্লাহেই জীৱসমূহৰ প্ৰাণ হৰণ কৰে সিহঁতৰ মৃত্যুৰ সময়ত আৰু যিসকলে মৃত্যুবৰণ কৰা নাই সিহঁতৰো (প্ৰাণ হৰণ কৰে) নিদ্ৰা অৱস্থাত। তাৰ পিছত তেওঁ যাৰ বাবে মৃত্যুৰ সিদ্ধান্ত কৰে তাৰ প্ৰাণ তেওঁ ৰাখি দিয়ে আৰু আনবোৰক এৰি দিয়ে, এটা নিৰ্দিষ্ট সময়লৈকে। নিশ্চয় ইয়াত নিদৰ্শন আছে এনে সম্প্ৰদায়ৰ বাবে, যিসকলে গৱেষণা কৰে।(আল জুমাৰ:৪২) কিন্তু টোপনি আৰু মৃত্যু দুয়োটাৰ মাজত পাৰ্থক্য আছে । টোপনিত শৰীৰৰ পৰা ৰূহৰ সম্পৰ্ক সন্তেকিয়া ভাৱে বিলম্ব হয়। আৰু মৃত্যু অৱস্থাত চিৰকালীন ভাৱে ৰূহ গুচি যায়। যদিও অধিকাংশ লোকেই নিদ্ৰাৰ পিছত এক নতুন জীৱনৰ পুনৰাম্ভণি কৰে কিন্তু কিছুসংখ্যক নিদ্ৰা অৱস্থাতেই মৃত্যুবৰণ কৰে। এই কথাই উপৰোক্ত আয়াতেৰে আল্লাহে বুজাইছে যে যাক মৃত্যু দিয়া হ'ব তাৰ ৰূহ ৰাখি লয়। আৰু বাকীবোৰৰ ৰূহ এটা নিৰ্দিষ্ট সময়ৰ টোপনিৰ পিছত ঘূৰাই দিয়ে,এতেকে নিদ্ৰা সন্তেকিয়া মৃত্যু অথচ ওফাত(ইন্তেকাল)প্ৰকৃততে মৃত্যু। যিহেতু মুছলমান সকলে এই কল্পনাতেই শোৱে যে টোপনিৰ পিছত সজাগো হ'ব পাৰে অথবা মৃত্যুও ঘটিব পাৰে। সেয়েহে নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে শিকোৱা দোআ পঢ়ি নিজকে আল্লাহৰ আশ্ৰয়ত দি এই দোআ পঢ়ে আল্লাহুম্মা বিছমিকা আমুতু ওৱা আহয়া যথা হজৰত হুযাইফা ৰাদ্বিয়াল্লাহু আনহুই কৈছে: যেতিয়া ৰছুলুল্লাহ ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম শুবলৈ বিছনাত আহে তেতিয়া তেওঁ নিজৰ(সোঁ)হাতৰ তলি তেওঁৰ পবিত্ৰ(সোঁ)গালৰ তলত ৰাখি লয়। তাৰ পিছত এই দোআ পঢ়ে "আল্লাহুম্মা বিছমিকা আমুতু ওৱা আহয়া" (অৰ্থ: হে আল্লাহ ! আমি তোমাৰ নামতেই মৃত্যু আৰু জীৱিত হওঁ)আৰু যেতিয়া সজাগ হয় এই দোআ পঢ়ে: "আলহামদু লিল্লাহিল্লাযী আহয়া'না বাঅ'দামা আমাতানা ৱা ইলাইহিন্নুশুৰ" (অৰ্থ:-কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ সেইজনৰ যিয়ে আমাক মৃত্যুৰ পিছত জীৱিত কৰিলে। আৰু তেওঁৰেইফালে(কিয়ামতৰ দিনা)উভতিব লাগিব।(বোখাৰী,কিতাবুদ দাৱাত,৪/১৯২:৪৩১৪)

## প্ৰশ্নঃ- শোৱাৰ আগতে কি কৰিব দিছে নবী ছাল্লাল্লাহু আলাইহি ওৱাছাল্লামে ? টোপনিৰ পৰা উঠি কি দোআ পঢ়িব লাগে ?

**উত্তৰঃ**- তদ্ৰূপ হজৰত জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত আল্লাহৰ নবী স্বাল্লাল্লাহু আলাইহি ৱাছাল্লামে কৈছে:যেতিয়া তোমালোকৰ মাজৰ কোনোবা নিজৰ বিছনাত শুব যায় তেতিয়া বিছনাখন তিনিবাৰ জোঁকাৰি লোৱা। কাৰণ বিছনাত কি বস্তু আহিছে সি নাজানে। তাৰ পিছত শোৱাৰ সময়ত এই দোআ পঢ়া "বিছমিকা ৰব্বি ৱাদ্বাঅ'তু জাম্বী ওৱা বিকা

brightislam.in

আৰফাউহু,ফা ইন আমছাকতা নাফছী ফাৰহামহা,ওৱা ইন আৰছালতাহা ফাহফাযহা বিমা তাহফাযু বিহি ইবাদাকাস্বালিহীন"। (অৰ্থ:হে মোৰ স্ৰষ্টা! মই তোমাৰ নামত মোৰ কঁকাল ৰাখিলোঁ। আৰু তোমাৰেই নামত উঠাম। যদি তুমি মোৰ প্ৰাণ ৰাখি লোৱা তেন্তে তাৰ প্ৰতি ৰহম কৰিবা। আৰু যদি এৰি দিয়া তেন্তে তুমি তোমাৰ প্ৰিয় লোকসকলক আশ্ৰয়ত ৰখাৰ দৰে ৰাখিবা।)

আৰু যেতিয়া সাৰ পাবা তেতিয়া পঢ়িবা "আলহামদু লিল্লাহিল্লাযী আ-ফা-নী- ফী জাছাদি,ৱা ৰাদ্দা আলাইয়্যা ৰুহী,ৱা আযিনালী বিযিকৰিহী" (অৰ্থ:সমস্ত প্ৰশংসা সেইজনৰ বাবে যিয়ে মোক সুস্থতা দান কৰিলে,মোৰ প্ৰাণ মোক ঘূৰাই দিলে আৰু মোক নিজৰ জিকিৰ কৰাৰ অনুমতি দিলে।)(তিৰমিজি:কিতাবুদ দাৱাত,৩৪০২)

## প্ৰশ্নঃ- মাটিয়ে কাৰ শৰীৰ নাখায় ? টোপনি সময়ত আমাৰ ৰুহ্ ক'ত থাকে ?

**উত্তৰঃ-** মাছআলাহ- নবী,অলী,আলীম,ছহীদ ও হাফিজ সকল যিয়ে কোৰআনৰ অনুসৰণ ও তাৰ ওপৰত আমোল কৰে আৰু তেওঁ যিয়ে আল্লাহ ও ৰাছুলৰ প্ৰকৃত প্ৰেমত মগ্ন হৈ আছে,সেই শৰীৰ যিয়ে কেতিয়াও আল্লাহৰ অবাধ্য হোৱা নাই,সেইজন যিয়ে নিজৰ সমস্ত সময় দুৰূদ পঢ়ি অতিবাহিত কৰে,এওঁলোকৰ শৰীৰক মাটিয়ে ভক্ষণ কৰিব নোৱাৰে। (শ্বাৰহুছ চুদূৰ:৩১৭-৩১৮,তিৰমিজি:কিতাবু ছিফাতিল কিয়ামাহ ৱাৰ্ৰাকাঈক-৪/২০৮:২৪৬৮)

মাছআলাহ- যিজনে এনে বিশ্বাস ৰাখিব যে নবী সকল(আলাইহিমুচ্ছালাম) মৃত্যু হৈ মাটিৰ লগত মিস্ৰিত হৈ গ'ল। সিহঁত পথভ্ৰষ্ট,বদ দ্বীন,খবিছ,অসন্মানকাৰী। (বাহাৰে চৰীয়ত:১/৯৮-১১৫)

টোপনিৰ সময়ত আমাৰ ৰুহ ক'ত থাকে: ইব্‌নে কায়্যুমে নিজৰ কিতাপত লিখিছে: وقيل )،أرواح المومنين تحت العرش تعرج روحه إن كان مؤمنا إلى عرش الرحمن وتسجد عنده)و أرواح الفسقة والمجرمين أصحاب الغناء والطرب الذين ينامون على المعاصر هولاء تذهب أرواحهم إلى الحمام فى الأرض،تجول مع الشياطين والعياذ باللهأ মুমিনৰ ৰূহ টোপনিত থকা অৱস্থাত আল্লাহৰ আৰচৰ তলত ছিজদাহ কৰি থাকে আৰু গুণাহগাৰ,ফাছিক ও সম্পদশালী ব্যক্তি,যিয়ে গুণাহত লিপ্ত হৈ শোৱে সেইবোৰৰ ৰূহ চয়তানৰ লগত শৌচালয়ত ঘূৰি থাকে। (ইবনে কাইয়্যুম:কিতাবুৰ ৰূহ।)

আল্লাহ পাকে আমাক তেওঁৰ প্ৰিয় নবীৰ ﷺ জীৱনশৈলী অনুসৰি জীৱন নিৰ্বাহ কৰাৰ ক্ষমতা দান কৰক। আ-মী-ন।

وَاللّٰهُ أَعْلَمُ عَزَّوَجَلَّ وَرَسُوْلُهُ اَعْلَم صَلَّى اللّٰهُ تَعَالٰى عَلَيْهِ وَاٰلِهٖ وَسَلَّم


মৌলানা ইঞ্জামুল হক মিছবাহী।

দৰং,অসম।

phn- 8638731917


brightislam.in

brightislam.in